NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-11-2022
Time : 0705 Hrs

**ASSAMESE MORNING BULLETIN**

**HEADLINES**

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ বিশ্ববিদ্যালয়ত ইউনেস্ক' ভাৰত-আফ্ৰিকা হেকাথন-২০২২ৰ সামৰণি অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই নতুন দিল্লীত কালি গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি মুক্ৰ গাঁৱত অলপতে সংঘটিত হোৱা দুৰ্ভাগ্যজনক গুলীগুলীৰ ঘটনাৰ সম্পৰ্কে আলোচনা কৰে।

৪। ফিফা বিশ্বকাপত কালি অনুষ্ঠিত খেলত পৰ্টুগালে ঘানাক, ব্ৰাজিলে ছাৰ্বিয়াক, ছুইজাৰলেণ্ডে কেমৰুণক পৰাস্ত কৰাৰ বিপৰীতে উৰুগুৱে আৰু দক্ষিণ কোৰিয়াৰ মাজৰ খেলখন অমীমাংসিত হৈ ৰয়।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি কিছু সময় আগতে নিউজিলেণ্ডে টছত জয়লাভ কৰি ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে।

০০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি দিনৰ ১১ বজাত উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ বিশ্ববিদ্যালয়ত ইউনেস্ক' ভাৰত-আফ্ৰিকা হেকাথন-২০২২ৰ সামৰণি অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই হেকাথন যোৱা ২২ নৱেম্বৰত মুকলি কৰা হৈছিল। বাৰ্ষিক ৩৬ ঘণ্টীয়া এই অনুষ্ঠানটোৱে ভাৰত আৰু আফ্ৰিকাৰ সহযোগীসকলৰ মাজত নীবিড় সম্পৰ্ক প্ৰতিফলিত কৰাৰ লগতে উমৈহতীয়া প্ৰত্যাহ্বানসমুৰ মুখামুখি হোৱাৰ বাবে সহযোগিতাৰ উদ্যমক সুচায়। হেকাথনে যুৱ উদ্ভাৱকসকলক সামাজিক, পৰিৱেশ সম্পৰ্কীয় তথা প্ৰযুক্তিগত সমস্যাৰ সমাধান উলিয়াবলৈ উপযুক্ত মঞ্চ প্ৰদান কৰে। ইয়াত

অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলে বিশেষজ্ঞ ব্যক্তিসকলৰ তত্বাৱধানত ব্যৱহাৰিক সমস্যাসমূহ সমাধান কৰিবলৈ নতুন প্ৰযুক্তিৰ অন্বেষণ কৰাৰ সুযোগ পায়। হেকাথনে লগতে সম্ভাব্য ষ্টাৰ্টআপ সৃষ্টি কৰাৰ ভেটি নিৰ্মাণ কৰে।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মহান আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লাচিত দিৱস উপলক্ষে কালি দেশৰ জনসাধাৰণক ওলগ জনায়। শ্ৰীমোদীয়ে কয় যে মহান আহোম সেনাপতি লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী উপলক্ষে এইবাৰৰ লাচিত দিৱস বিশেষ হৈ পৰিছে। তেওঁ লগতে লাচিত বৰফুকনক অদ্বিতীয় সাহসৰ প্ৰতীক হিচাপে আখ্যা দিয় কয় যে সেনাপতিগৰাকীয়ে জন কল্যাণত সৰ্বাধিক গুৰুত্ব দিছিল।

আমাৰ সংবাদদাতাই জনাইছে যে দেশৰ অজ্ঞাত বীৰসকলক যথোচিত সন্মান দিবলৈ প্ৰধানমন্ত্ৰীয়ে অবিৰতভাৱে প্ৰচেষ্টা চলাই আহিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে দেশত চলিত বৰ্ষটো লাচিত বৰফুকনৰ ৪০০ সংখ্যাক জয়ন্তী হিচাপে উদযাপন কৰা হৈছে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত তেতিয়াৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে গুৱাহাটীত এই উদযাপনৰ শুভাৰম্ভ কৰিছিল।

অসমৰ বিখ্যাত আহোম সেনাপতি লাচিত বৰফুকনে মোগলক পৰাভূত কৰি ঔৰংগজেৱৰ অধীনত চলা আগ্ৰাসী নীতিক সফলভাৱে প্ৰতিহত কৰিছিল। ১৬৭১ চনত হোৱা শৰাইঘাট যুদ্ধত সেনাপতিগৰাকীয়ে অসমীয়া সৈনিকসকলক উৎসাহিত কৰি মোগল বাহিনীক শোচনীয়ভাৱে পৰাভূত কৰিছিল।

অসম চৰকাৰে লাচিত বৰফুকনৰ দেশপ্ৰেম তথা সাহসৰ বিষয়ে দেশবাসীক অৱগত কৰাৰ উদ্দেশ্যে দেশৰ ৰাজধানী নতুন দিল্লীত তিনিদিনীয়া কাৰ্যসূচীৰে এটা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে এখন প্ৰদৰ্শনী তথা আলোচনাৰো আয়োজন কৰা হয়। অসমৰ জনসাধাৰণে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অনুৰোধ অনুযায়ী লাচিত বৰফুকনলৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে ৰাজ্যজুৰি কালি নিশা মাটিৰ চাকি প্ৰজ্বলন কৰে। ৰাজ্যসভাৰ সাংসদ তথা অসমৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটাই অসম চৰকাৰৰ পদক্ষেপে লাচিত বৰফুকনৰ বীৰত্বৰ বিষয়ে প্ৰচাৰ কৰাত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০০

গুজৰাটত আসন্ন বিধানসভা নিৰ্বাচন উপলক্ষে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মাহোদা,

জালোদ, ৰাঘাৰা আৰু নাৰোদাত আয়োজিত জনসভাত অংশগ্ৰহণ কৰাৰ লগতে নান্দোদত এটা শোভাযাত্ৰাক নেতৃত্ব দিব। কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ঈৰাণীয়েও ৰাজ্যখনৰ বলচাদ জিলাত দুখন জনসভাত ভাষণ দিব। কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে চুৰাটত ওড়িয়া লোকসকলৰ মাজত দলটোৰ প্ৰাৰ্থীৰ হকে নিৰ্বাচনী প্ৰচাৰ চলাব। কেন্দ্ৰীয় মন্ত্ৰী পুৰুযোত্তম ৰূপালাই নবচাৰি, দং আৰু চুৰাট জিলাৰ পাঁচখন নিৰ্বাচনী সভাত ভাষণ দিব।

আনহাতে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাজীৱ শুক্লা আৰু আলোক শৰ্মাই আজি আহমেদাবাদত সংবাদমেলক সংম্বোধন কৰিব।

ইপিনে, আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানেও ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত শোভাযাত্ৰাত অংশগ্ৰহণ কৰা কথা।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি গুজৰাট বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৮৯খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা ৭৮৮ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ১৬৭ গৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে বিভিন্ন অপৰাধৰ গোচৰ পঞ্জীয়ন হৈ আছে। গণতান্ত্ৰিক সংস্কাৰ সংস্থা - এ ডি আৰে প্ৰস্তুত কৰা এখন প্ৰতিবেদন অনুসৰি প্ৰাৰ্থীসকলে দাখিল কৰা শপতনামাৰ ওপৰত ভিত্তি কৰি জানিব পৰা গৈছে যে তাৰ ভিতৰত ১০০ গৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে হত্যা তথা নাৰী নিৰ্যাতনৰ দৰে গভীৰ অপৰাধৰ গোচৰ পঞ্জীয়ন হৈ আছে।

oooooooooo

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কেবিনেট মন্ত্ৰীসকলৰ সৈতে নতুন দিল্লীত কালি গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি মুক্ৰ গাঁৱত অলপতে সংঘটিত হোৱা দুৰ্ভাগ্যজনক গুলীগুলীৰ ঘটনাৰ সম্পৰ্কে আলোচনা কৰে। মুক্ৰ গাঁৱত অলপতে সংঘটিত হোৱা এটা গুলীয়াগুলীৰ ঘটনা ৬জন লোকে প্ৰাণ হেৰুৱায়। এটা ভিডিঅ' বাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অপৰাধীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে চি বি আই বা এন আই এৰ দৰে কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ জৰিয়তে ঘটনাটোৰ তদন্ত কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰা হৈছে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ অধীনত তদন্ত কৰাৰ আশ্বাস দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসম-মেঘালয়ৰ দীৰ্ঘদিনীয়া সীমা সমস্যাৰ সৈতে জড়িত এই অঞ্চলটো তথা অন্যান্য অঞ্চলসমূহত হৈ থকা সমস্যাসমূহৰ মূল কাৰণ সম্পৰ্কে গৃহমন্ত্ৰীগৰাকীক জনোৱা হৈছে।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মালয়েছিয়াৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে আনোৱাৰ ইব্ৰাহিমক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে এটা টুইটৰ জৰিয়তে

ভাৰত-মালেয়েছিয়াৰ বৰ্ধিত কৌশলগত বন্ধুত্বক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে একত্ৰিতভাৱে কাম কৰি যাবলৈ আশা প্ৰকাশ কৰে।

আনোৱাৰ ইব্ৰাহিমে কালি এটা অনুষ্ঠানত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁ ১৯৯০ চনৰ পৰা দেশখনৰ উপ-প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

oooooooooo

ৰাষ্ট্ৰপতি ভৱন সাধাৰণ দৰ্শকৰ বাবে অহা ১ ডিচেম্বৰৰ পৰা মুকলি কৰা হ'ব। দৰ্শকসকলে বুধবাৰ, বৃহস্পতিবাৰ, শুকুৰবাৰ, শনিবাৰ আৰু ৰবিবাৰে ৰাষ্ট্ৰপতি ভৱন দৰ্শন কৰিব পাৰিব। ইয়াৰ বাবে পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ ভৱন খোলা থাকিব। ইয়াৰ উপৰি জনসাধাৰণে মঙলবাৰৰ পৰা ৰবিবাৰলৈ ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয় দৰ্শন কৰিব পাৰিব। দৰ্শকসকলে শনিবাৰে পুৱা ৮ বজাৰ পৰা ৯ বজালৈ ৰাষ্ট্ৰপতি ভৱনত চেঞ্জ অৱ গাৰ্ড সমাৰোহো উপভোগ কৰিব পাৰিব। দৰ্শকসকলে এই ৰাষ্ট্ৰপতি ভৱন দৰ্শনৰ বাবে rashtrapatisachivalaya.gov.in/rbtour ৱেবচাইটত অনলাইন বুকিং কৰিব পাৰিব।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ নৱেম্বৰত দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া **মন কী বাত** অনুষ্ঠানৰ ৯৫ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে নমো এপ বা মাই গভ্ প'ৰ্টেলৰ মুকলি মঞ্চৰ জৰিয়তে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে ১৮০০-১১-৭৮০০ শুল্কবিহীন নম্বৰত ফোন কৰি হিন্দী বা ইংৰাজী ভাষাত নিজৰ বাৰ্তা বাণীবদ্ধ কৰিব পাৰিব। ফোন লাইনসমূহ ২৫ নৱেম্বৰলৈ খোলা থাকিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছড কল দিয়াৰ পাছত এছ্ এম এছ্ জৰিয়তে লাভ কৰা লিংকৰ মাধ্যমেৰেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

oooooooooo

ফিফা বিশ্বকাপত কালি নিশা দোহাত অনুষ্ঠিত গ্ৰুপ-এইছৰ এখন ৰোমাঞ্চকৰ খেলত পৰ্টুগালে ঘানাক ৩-২ ব্যৱধানত পৰাজিত কৰে। পৰ্টুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে প্ৰতিযোগিতাৰ প্ৰথমখন খেলতেই গল কৰি বিশ্ব অভিলেখ গঢ়ে। ৰোণাল্ডোৱে ২০০৬, ২০১০, ২০১৪, ২০১৮ আৰু ২০২২কে ধৰি ৫খন বিশ্বকাপত গল কৰা বিশ্বৰ প্ৰথমজন ফুটবল খেলুৱৈ হিচাপে পৰিগণিত হয়।

গ্ৰুপ-জি-ৰ আন এখন খেলত ব্ৰাজিলে চাৰ্বিয়াক ২-০ ব্যৱধানত পৰাজিত কৰি অভিযান আৰম্ভ কৰে। ইপিনে, উৰুগুৱে আৰু দক্ষিণ কোৰিয়াৰ মাজৰ খেলখন গলশূন্যভাৱে অমীমাংসিত হৈ ৰয়।

আনহাতে, গ্ৰুপ-জি-ৰ প্ৰথমখন খেলত ছুইজাৰলেণ্ডে কেমৰুণক ১-০ৰ ব্যৱধানত পৰাস্ত কৰে।

বিশ্বকাপত আজি তিনিখন খেল অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ৩ বজাত গ্ৰুপ-বি-ৰ এখন খেলত ৱেল্‌চ আৰু ইৰাণ মুখামুখি হ'ব।

গ্ৰুপ-এ-ৰ আন এখন খেলত সন্ধিয়া চাৰে ৬ বজাত কাটাৰে ছেনেগালৰ মুখমুখি হোৱাৰ বিপৰীতে নিশা চাৰে ৯ বজাত নেদাৰলেণ্ডছ ইকুৱেডৰৰ মুখামুখি হ'ব।

oooooooooo

অকলেণ্ডৰ ইডেন পাৰ্কত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি কিছু সময় আগতে নিউজিলেণ্ডে টছত জয়লাভ কৰি ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে। অধিনায়ক ৰোহিত শৰ্মা আৰু উপ-অধিনায়ক কে এল ৰাহুল অনুপস্থিতিত শিখৰ ধাৱনে এদিনীয়া দলটোক নেতৃত্ব দিছে।

শৃংখলাটোৰ দ্বিতীয়খন খেল ২৭ নৱেম্বৰত হেমিলটনৰ ছেডন্ পাৰ্কত আৰু তৃতীয় তথা অন্তিমখন খেল ৩০ নৱেম্বৰত খ্ৰাইষ্টচাৰ্চৰ হেগ্‌লে অ'ভেলত খেলোৱা হ'ব।

ooooooooo

(সমাপ্ত)